NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

**HEADLINES**

০০০০০০০০০

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনি-দিনীয়া আলজেৰিয়া ভ্ৰমণ সামৰি ত্ৰিদেশীয় ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত আজি ম'ৰিটানিয়ালৈ ৰাওনা হ'ব।

২। বিশ্বৰ আগশাৰীৰ উদ্যোগপতিসকলে চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘৰ বিশ্ব দূৰসংযোগ মান নিৰ্ধাৰণ সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ শলাগ লৈছে।

৩। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ইছলামাবাদত হ'বলগীয়া চাংহাই সহযোগিতা সংস্থাৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ ২৩ সংখ্যক বৈঠকত অংশগ্ৰহণ কৰিব।

৪। নেশ্যনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাই আজি জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল বাংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত আজি অনুষ্ঠিত হ'ব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনি-দিনীয়া আলজেৰিয়া ভ্ৰমণ সামৰি ত্ৰিদেশীয় ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত আজি ম'ৰিটানিয়ালৈ ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমতী মুৰ্মুৱে ভাৰত আৰু আলজেৰিয়াৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে দেশখনৰ শীৰ্ষ নেতৃবৰ্গ আৰু প্ৰতিনিধিসকলৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ বাতৰি সংগ্ৰহৰ বাবে যোৱা আমাৰ সংবাদদাতাই জনাইছে যে শ্ৰীমতী মুৰ্মুৱে দিনজোৰা ম'ৰিটানিয়া ভ্ৰমণৰ সময়ত কেইবাটাও অনুষ্ঠানত অংশ ল'ব। ভ্ৰমণ কালত তেওঁ ম'ৰিটানিয়াৰ ৰাষ্ট্ৰপতি মহম্মদ আউল্দ গজৌৱালী আৰু অন্য নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। তেওঁ লগতে দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত-বিনিময় কৰিব।

বিদেশ মন্ত্ৰালয়ে কৈছে যে ৰাষ্ট্ৰপতিৰ আলজেৰিয়া ভ্ৰমণ ঐতিহাসিক আছিল। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰালয়ৰ সচিব অৰুণ কুমাৰ চেটাৰ্জীয়ে কয় যে এই ভ্ৰমণে উভয় দেশৰ মাজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্কত গতি প্ৰদান কৰিব। তেওঁ লগতে কয় যে ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীত আলজেৰিয়াৰ সদস্য-পদক লৈ আলোচনা হ'লে ভাৰতে ইয়াৰ সমৰ্থন কৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু ত্ৰিদেশীয় ভ্ৰমণসূচীৰ তৃতীয় পৰ্যায়ত কাইলৈ মলাৱিত উপস্থিত হ'ব। আফ্ৰিকাৰ বিভিন্ন দেশৰ সৈতে ভাৰতৰ সম্পৰ্কৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণেই এই যাত্ৰাৰ মূল উদ্দেশ্য।

০০০০০০০০০

বিশ্বৰ আগশাৰীৰ উদ্যোগপতিসকলে চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘৰ বিশ্ব দূৰসংযোগ মান নিৰ্ধাৰণ সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ শলাগ লৈছে। শ্ৰীমোদীয়ে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত বিশ্ব দূৰসংযোগ মান নিৰ্ধাৰণ সভাত  ভাৰতীয় মোবাইল সভাৰ অষ্টম সংস্কৰণো মুকলি কৰে। উদ্যোগপতিসকলে ডিজিটেল ইণ্ডিয়াৰ দৃষ্টিভংগী তথা সংস্কাৰ, উদ্ভাৱন আৰু সহযোগিতাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰো ভূয়সী প্ৰশংসা কৰে।

ৰিলায়েন্স জিঅ' ইনফোকম লিমিটেডৰ অধ্যক্ষ আকাশ আম্বানীয়ে ডিজিটেল পৰিৱৰ্তনত ভাৰতৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বৰ শলাগ লয়। তেওঁ  কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ তৃতীয়টো কাৰ্যকালত ডিজিটেল খণ্ডৰ বিকাশৰ ক্ষেত্ৰত উদ্ভাৱন আৰু সহযোগিতাৰ বাবে ভাৰতীয় মোবাইল সভাক এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে প্ৰতিষ্ঠা কৰিছে।

ডিজিটেল ইণ্ডিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ প্ৰশংসা কৰি ভাৰতী এয়াৰটেলৰ প্ৰতিষ্ঠাপক তথা অধ্যক্ষ সুনীল ভাৰতী মিট্টালে ভাৰতৰ দূৰ সংযোগৰ যাত্ৰা তথা দূৰ সংযোগ আন্তঃগাঁথনিত পৰিৱৰ্তনশীল বিকাশ আৰু ডিজিটেল প্ৰযুক্তি সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয় যে ডিজিটেল ইণ্ডিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰে ২০১৪ চনৰে পৰা প্ৰকৃত ৰূপান্তৰ সংস্কাৰ হৈছে। আদিত্য বিৰলা গ্ৰুপৰ অধ্যক্ষ কুমাৰ মংগলম বিৰলাই ডিজিটেল সংযোগৰ প্ৰয়োজনৰ ক্ষেত্ৰত চৰকাৰৰ অবিৰত সহায়-সহযোগিতা সন্দৰ্ভত আলোকপাত কৰে।

আন্তঃৰাষ্ট্ৰীয় দূৰ সংযোগ সংঘৰ সচিবপ্ৰধান ডৰীন ব'গডান মাৰ্টিনে গোলকীয় ডিজিটেল শাসনৰ আৱশ্যকতাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে চলোৱা প্ৰচেষ্টাৰ কথা স্মৰণ কৰে। শ্ৰীমতী মাৰ্টিনে কয় যে একীকৃত ধনাদায় ইণ্টাৰফেচ সন্দৰ্ভত ভাৰতৰ সাফল্যৰ পৰা বিশ্বই ভালেখিনি শিকিব পাৰে।

০০০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ইছলামাবাদত হ'বলগীয়া চাংহাই সহযোগিতা সংস্থাৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ ২৩ সংখ্যক বৈঠকত অংশগ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানৰ দুদিনীয়া ভ্ৰমণসূচীৰে ইতিমধ্যে ৰাজধানী ইছলামাবাদত উপস্থিত হৈছে। পাকিস্তানৰ অধ্যক্ষতাত হ'বলগীয়া চাংহাই সহযোগিতা সংস্থাৰ এই বৈঠকত ড০ জয়শংকৰে ভাৰতক প্ৰতিনিধিত্ব কৰিব। ভাৰতে চাংহাই সহযোগিতা সংস্থাৰ সকলো ধৰণৰ কাম-কাজৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ আহিছে। প্ৰতি বছৰে চাংহাই সহযোগিতা সংস্থাৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ বৈঠকৰ আয়োজন কৰা হয় আৰু এই বৈঠকত বাণিজ্য আৰু অৰ্থনৈতিক কাৰ্যসূচী লৈ আলোচনা কৰা হয়।

ড০ জয়শংকৰে ইতিপূৰ্বে তেওঁৰ পাকিস্তান যাত্ৰাৰ উদ্দেশ্য বহুপাক্ষিক বুলি মন্তব্য কৰিছিল আৰু দ্বিপাক্ষিক আলোচনাৰ সম্ভাৱনা নুই কৰিছিল। বিগত ৯ বছৰত এয়া ভাৰতীয় বিদেশ মন্ত্ৰীৰ প্ৰথম উচ্চ পৰ্যায়ৰ পাকিস্তান ভ্ৰমণ।

০০০০০০০০০

নেশ্যনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাই আজি জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। উপ-ৰাজ্যপাল মনোজ সিনহাই দিনৰ চাৰে ১১ বজাত শ্ৰীনগৰৰ চেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তন কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত শ্ৰীআব্দুল্লা আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলক শপত বাক্য পাঠ কৰাব। নেশ্যনেল কনফাৰেন্স দলে ১০ বছৰ ব্যৱধানত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পাছত উপ-ৰাজ্যপালে শ্ৰীআব্দুল্লাক চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাইছিল। জম্মু-কাশ্মীৰত ইয়াৰ পূৰ্বে ২০১৪ চনত বিধানসভা নিৰ্বচন অনুষ্ঠিত হৈছিল। আমাৰ সংবাদদাতাই জনাইছে যে শপত গ্ৰহণস্থলৰ চৌপাশে ব্যাপক সুৰক্ষা ব্যৱস্থা কৰা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমন আজি মেক্সিকো আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণসূচীৰে ৰাওনা হ'ব। প্ৰথম পৰ্যায়ত শ্ৰীমতী সীতাৰমনে কাইলৈৰ পৰা ২০ অক্টোবৰলৈ মেক্সিকো ভ্ৰমণ কৰিব। তাত তেওঁ গুৱাডলজাৰাত হ'বলগীয়া প্ৰযুক্তি বিশেষজ্ঞসকলৰ ঘূৰণীয়া মেজমেলত অধ্যক্ষতা কৰিব। তেওঁ লগতে মেক্সিকোৰ বিত্ত আৰু ৰাজহুৱা ঋণ দপ্তৰৰ মন্ত্ৰী ৰোজেৰিঅ' ৰামীৰেজ ডেলাওৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ইয়াৰ উপৰি শ্ৰীমতী সীতাৰমণে সংসদীয় সহযোগিতা আৰু অৰ্থনৈতিক বিকাশ  সুদৃঢ় কৰাৰ উদ্দেশ্যে মেক্সিকোৰ সাংসদসকলৰ সৈতে আলোচনাত মিলিত হ'ব।

মেক্সিকো চহৰত শ্ৰীমতী সীতাৰমনে ভাৰত-মেক্সিকো বাণিজ্য আৰু বিনিয়োগ সন্মিলনত মূল ভাষণ প্ৰদান কৰিব। দুয়োখন দেশৰ উদ্যোগ জগতৰ বিশিষ্ট ব্যক্তিসকলে এই অনুষ্ঠানত ভাগ ল'ব। বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰবাসী ভাৰতীয়সকলে আয়োজন কৰা এটা সমূহীয়া অনুষ্ঠানতো অংশ ল'ব।

যাত্ৰাৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমতী সীতাৰমন ২০ৰ পৰা ২৬ অক্টোবৰলৈ আমেৰিকা ভ্ৰমণ কৰিব। ভ্ৰমণকালত বিত্তমন্ত্ৰীগৰাকীয়ে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আৰু বিশ্ব বেংকৰ বাৰ্ষিক বৈঠকৰ লগতে   জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বিত্তমন্ত্ৰী আৰু কেন্দ্ৰীয় বেংকৰ গৱৰ্ণৰৰ বৈঠকত অংশগ্ৰহণ কৰিব। তেওঁ লগতে জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিবেশ মন্ত্ৰী আৰু বিদেশ মন্ত্ৰী আৰু জি-চেভেন-আফ্ৰিকা মন্ত্ৰী পৰ্যায়ৰ ঘূৰণীয়া মেজমেলত ভাগ ল'ব।

০০০০০০০০০

সংসদৰ উভয় সদনৰ সদস্যক লৈ গঠিত যুটীয়া সংসদীয় কমিটীয়ে কালি নতুন দিল্লীত ৱাক্‌ফ সংশোধনী বিধেয়কক লৈ আলোচনা কৰে। লোকসভাৰ সাংসদ জগদম্বিকা পালৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত বিধেয়কখন সন্দৰ্ভত সংখ্যালঘু মন্ত্ৰালয়ৰ প্ৰতিনিধিৰ মৌখিক সাক্ষ্য গ্ৰহণ কৰা হয়। ৱাক্‌ফ বোৰ্ডৰ কাৰ্যপ্ৰণালীৰ ত্ৰুটি দূৰ কৰা আৰু ৱাক্‌ফ সম্পত্তিৰ প্ৰশাসন আৰু ব্যৱস্থাপনাৰ দক্ষতা বৃদ্ধিয়ে ৱাক্‌ফ সংশোধনী বিধেয়কৰ মূল উদ্দেশ্য। যুটীয়া সংসদীয় কমিটীয়ে বিধেয়কখন চালি-জাৰি চাই সংসদৰ শীতকালীন অধিবেশনত নিজৰ প্ৰতিবেদন দাখিল কৰাৰ কথা আছে।

০০০০০০০০০

আসন্ন ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰাৰ উদ্দেশ্যে যোৱা নিশা নতুন দিল্লীত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু দলৰ অন্য জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে।

০০০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল বাংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত আজি অনুষ্ঠিত হ'ব। খেলখন স্থানীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত শীৰ্ষত আছে আৰু এই শৃংখলাত জয়ী হ'লে একেৰাহে তৃতীয়বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ফাইনেলত প্ৰৱেশ কৰাৰ সম্ভাৱনা প্ৰৱল হৈ উঠিব। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে ২০১২-১৩ খেলবৰ্ষৰ পাছত দেশৰ মাটিত একেৰাহে ১৯ সংখ্যক শৃংখলা জয়ৰ লক্ষ্যৰে শৃংখলাত অৱতীৰ্ণ হ'ব।

শৃংখলাৰ দ্বিতীয়খন খেল ২৪ৰ পৰা ২৮ অক্টোবৰলৈ পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। তৃতীয় তথা অন্তিমখন খেল ১ৰ পৰা ৫ নৱেম্বৰলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০০০০০০

সমাপ্ত